আঞ্চলিক বতৰ
কেন্দ্ৰৰ পূৰ্বানুমান
জি ফৰকাল হোৱাৰ
ছ। আজিৰ সৰ্বোচ্চ
া ২৬°, সৰ্বনিম্ন
১৩° চেলছিয়াছ।
সময় ৫.৫৯ বজা।
সময় ৫.১৭ বজা।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

শুভ বাৰ্তা

জীৱনত কোনো ক
নকৰিবা। যদি তুমি স
তেন্তে তোমাৰ জ্ঞান-
সমাজেই গৌৰৱ কৰি
ৰঘু

NDAY, 16 FEBRUARY 2025

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জাছিংফা-১.০ত অসম সাহিত্য সভাৰ সভাপতি

# গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰেঃ ডঃ গোস্বামী

**বিশেষ বাৰ্তা, ডিব্ৰুগড, ১৫ ফেব্ৰুৱাৰী ঃ** 'গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰি তোলে।' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ টাই আহোম ছাত্ৰ সমাজৰ উদ্যোগত 'জাছিংফা-১.০' শীৰ্ষক সমাৰোহৰ এক আকৰ্ষণীয় গ্ৰন্থমেলা উদ্বোধন কৰি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে আজি এইদৰে কয়। ডঃ গোস্বামীয়ে কয়— 'কিতাপ বা গ্ৰন্থ যিসকলে অধ্যয়ন কৰে, সেইসকলে জীৱনকো মহৎ আৰু মহীয়ান কৰি তুলিব পাৰে।' তেওঁ কয়— 'অসমত পাঠকৰ জৰীপ হোৱা উচিত। কি কিতাপ, কেনেকুৱা ধৰণৰ কিতাপ পঢ়িব লাগে সেইসমূহৰ আজিলৈ জৰীপ হোৱা নাই, ইয়াৰ জৰীপ হোৱা প্ৰয়োজন।' সভপতিগৰাকীয়ে কয়— 'পাঠকে কি কিতাপ পঢ়ি ভাল পায় সেই বিষয়ে আলোচনা হোৱাতকৈ কি কিতাপ পঢ়া যে উচিত সেই বিষয়ে আলোচনা কৰা প্ৰয়োজন। তেওঁ কয় যে গ্ৰন্থৰ মূল্য বুজি পোৱা পাঠকে নিৰ্দিষ্ট গ্ৰন্থ বাৰে বাৰে পঢ়ে। নতুন প্ৰজন্মই গ্ৰন্থ অধ্যয়নৰ লগতে সমালোচনা কৰিব লাগে। কিতাপেই আমাৰ জীৱনৰ আটাইতকৈ শক্তিশালী বন্ধু, যিয়ে আমাক কেতিয়াও বিশ্বাসঘাতকতা নকৰে বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে গ্ৰন্থই আমাৰ মানসিক স্বাস্থ্য শক্তিশালী কৰে।

অধ্যাপক দৰ্পনজিৎ কোঁৱৰে সভাপতিত্ব কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয় যে গ্ৰন্থমেলা হ'ল জ্ঞান, কল্পনা আৰু সৃষ্টিশীল চিন্তা-চেতনাৰ উৎসৱ। এনে উৎসৱে ভাষা, সংস্কৃতি, জাতীয় চিন্তা-চেতনা আৰু জ্ঞানপীপাসুসকলক প্ৰভাৱিত কৰে। অধ্যক্ষগৰাকীয়ে কয় যে এনেধৰণৰ বাৰেৰহণীয়া কাৰ্যসূচীৰ সমান্তৰালকৈ এখন গ্ৰন্থমেলা আয়োজন কৰাতো বুদ্ধিদীপ্ত চিন্তা-চেতনাৰ ফচল। গ্ৰন্থমেলা আয়োজন কৰাটো অতি উত্তম হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এনে কাৰ্যসূচীয়ে সাংস্কৃতিক বিকাশৰ লগে লগে সমাজত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিব। গ্ৰন্থপ্ৰেমীসকলক উৎসাহিত কৰাৰ এনে এক পৰিৱেশক ধন্যবাদ জনাই তেওঁ কয়— 'গ্ৰন্থমেলাৰ দৰে কাৰ্যসূচী মানুহৰ মননশীল চিন্তা-চেতনাৰ এক মঞ্চ হৈ আহিছে। নতুন লেখকসকলক এনে কাৰ্যসূচীয়ে অনুপ্ৰেৰণা যোগাব আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাসত ভাষা-সংস্কৃতি-ইতিহাসৰ এক অসীম জগতৰ দুৱাৰ মুকলি কৰিব। গ্ৰন্থমেলা কেৱল কিতাপ ক্ৰয়-বিক্ৰয় কৰাৰ স্থান নহয়, ই হ'ল মননশীলতা আৰু জ্ঞান, প্ৰজ্ঞাৰ আদান-প্ৰদানৰ এক মঞ্চ। নতুন লেখক আৰু পাঠকসকলে এনে গ্ৰন্থমেলা বা সমাৰোহৰ পৰা অনুপ্ৰেৰণা, সুযোগ আৰু কলমৰ শক্তিৰ ওপৰত কিছু অনুভৱ, উপলব্ধি লাভ কৰিব। সেইসকলৰ বাবে ই এক সম্পদ হ'ব পাৰে বুলিও তেওঁ কয়। বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকাও ১৫ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই গ্ৰন্থ বিপণীৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানটিত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই উপস্থিত থাকি মননশীল বক্তব্য ৰাখে। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তুফেল জিলানীকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে এই গ্ৰন্থমেলাত বহুসংখ্যক গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ কৰিছে।

